জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ১৮১/২০২১**

### অসম-মেঘালয় আন্তঃৰাজ্যিক সীমা বিবাদ সমাধানৰ বাবে মুখ্যমন্ত্ৰী পৰ্যায়ৰ আলোচনা

# দুয়োখন চৰকাৰ স্থিতাৱস্থাৰ পৰা সমাধানত উপনীত হোৱাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ ঃ মুখ্যমন্ত্ৰী ড° শৰ্মা

**দিছপুৰ, ২৩ জুলাই ঃ** অসম আৰু মেঘালয়ৰ মাজত দীৰ্ঘদিনীয়া আন্তঃৰাজ্যিক সীমা বিবাদ সৌহাৰ্দ্যপূৰ্ণভাৱে সমাধান কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শ্বিলঙৰ মেঘালয় সচিবালয়ৰ যোজনা ভৱনত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ সৈতে এক দ্বিপাক্ষিক আলোচনাত মিলিত হয়। বৈঠকত দুয়োখন চৰকাৰৰ মুখ্য সচিব আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকলো উপস্থিত আছিল।

আলোচনাকালত মেঘালয় চৰকাৰে ১২ টা বিবদমান স্থান ৰাজ্যখনৰ অন্তৰ্গত অঞ্চল বুলি দাবী কৰাৰ বিপৰীতে অসম চৰকাৰেও সেই ঠাইবোৰ অসমৰ বুলি দাবী কৰি সেই সংক্ৰান্তীয় নথিপত্ৰ বৈঠকত দাঙি ধৰে।

বিতং আলোচনাৰ অন্তত দুয়োখন চৰকাৰে এক বাস্তৱিক দৃষ্টিভংগী অৱলম্বন কৰাৰ লগতে স্থিতাৱস্থাৰ পৰা সমস্যাটোৰ এক সমাধান সূত্ৰত উপনীত হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উল্লিখিত সমগ্ৰ ১২ টা স্থানৰ বিষয়ে এটা এটাকৈ আলোচনা কৰি সংশ্লিষ্ট দাবীবোৰ পৰ্যালোচনা কৰিবলৈ উভয় পক্ষ সন্মত হয়। সম্ভৱস্থলত দুয়োগৰাকী মুখ্যমন্ত্ৰীয়ে এই ১২ টা স্থান ভ্ৰমণৰ সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি, মুখ্যমন্ত্ৰী ড° শৰ্মাই অহা ৬ আগষ্টত মেঘালয়ৰ মুখ্যমন্ত্ৰী চাংমাক গুৱাহাটীত দ্বিতীয় পৰ্যায়ৰ আলোচনাৰ বাবে আমন্ত্ৰণ জনায়।

আজিৰ এই আলোচনাকালত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ লগতে অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱা, আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা আৰু আয়ুক্ত-সচিব (সীমান্ত সুৰক্ষা আৰু উন্নয়ন) জি ডি ত্ৰিপাঠীও উপস্থিত আছিল।

আনহাতে, মেঘালয় চৰকাৰৰ তৰফৰ পৰা ৰাজ্যখনৰ মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে মুখ্য সচিব এম এছ ৰাও, অতিৰিক্ত মুখ্য সচিব আৰ ভি চুচিয়াং, আয়ুক্ত-সচিব আৰ লিংডো আৰু গৃহ আৰু ৰাজনৈতিক সচিব চি ভি ডি ডিয়েংডো উপস্থিত আছিল।

আলোচনাৰ পিছত সংবাদ মাধ্যমৰ লোকসকলৰ সৈতে বাৰ্তালাপ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে আজিৰ আলোচনা অত্যন্ত ফলপ্ৰসূ আছিল। উমৈহতীয়া বুজাবুজিত উপনীত হোৱাৰ লগতে ইতিবাচক মানসিকতাৰে আগবাঢ়ি সীমা বিবাদ সমাধানৰ অৰ্থে দুয়োখন চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাও তেওঁ দোহাৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বিবদমান স্থানসমূহৰ সন্দৰ্ভত দুয়োখন ৰাজ্যৰ উমৈহতীয়া দাবীৰ

প্ৰতি লক্ষ্য ৰাখি অধিক আলোচনা আৰু পৰ্যালোচনা কৰা হ'ব যাতে এই ক্ষেত্ৰত এক স্থায়ী সমাধানত উপনীত হ'ব পৰা যায়।

মেঘালয়ৰ মুখ্যমন্ত্ৰী চাংমাই অসমৰ মুখ্যমন্ত্ৰী ড° শৰ্মাক তেওঁৰ এই ভ্ৰমণৰ লগতে আলোচনাৰ জৰিয়তে সীমা বিবাদ সমাধানৰ অৰ্থে লোৱা পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে যিহেতু ই এটা দীৰ্ঘদিনীয়া অমীমাংসিত সমস্যা, সেয়েহে দুয়োখন ৰাজ্যৰ বাবে এক গ্ৰহণযোগ্য সমাধানত উপনীত হোৱাৰ বাবে অধিক আলোচনাৰ প্ৰয়োজন হ'ব।

**বীঃগঃ**
**২৩/০৭/২০২১**